

# জনতাৰ আত্মপ্ৰকাশেৰে ১৯৮৫ চনৰ অসম নিৰ্বাচন

এই বছৰৰ স্বাধীনতা দিৱসৰ দিনা প্ৰথম প্ৰভাততে অসম চুক্তি স্বাক্ষৰিত হোৱা বুলি প্ৰচাৰ হোৱাৰ লগে লগে এই বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰতে অসম বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন হোৱাটো নিশ্চিত হৈ পৰে। তেতিয়াও সম্পূৰ্ণ নোহোৱা ভোটাৰ তালিকা সংশোধনৰ কাম নিৰ্বাচনী আয়ুক্তই খৰধৰকৈ সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজনৈতিক দলবোৰৰ মাজত নিৰ্বাচনৰ তৎপৰতা আৰম্ভ হয়। চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত অসম আন্দোলনৰ পক্ষে বা বিপক্ষে থকা দল বা জনগোষ্ঠীবোৰৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ হয়। কিছু অসন্তুষ্টি থকা সত্ত্বেও ছটা বছৰৰ অসীম ধৈৰ্যৰে আন্দোলনত লাগি থকা মানুহখিনিয়ে বিভিন্ন শোভা-যাত্ৰা আৰু জন সমাৰোহেৰে আন্দোলনৰ নেতাসকললৈ বিপুল সম্বৰ্ধনা জনালে। এই জন সমাৰোহৰ আনন্দ উল্লাস তেতিয়াও ৰাজনৈতিক পৰ্যবেক্ষকসকলে ৰাজনৈতিক সচেতনতাৰেই লক্ষণ বুলি ধৰিব পৰা নাছিল। তেতিয়াও আন্দোলনৰ সমৰ্থনত থকা মানুহখিনিৰ সামগ্ৰিক সমৰ্থন থকা দল এটাও অসমত নাছিল। সৰ্বভাৰতীয় দলকেইটাৰ

ওপৰৰ ছবি : নেহৰু ষ্টেডিয়ামত মন্ত্ৰীসভাৰ শপত গ্ৰহণৰ দৃশ্য
ফটো : নাৰায়ণ ৰয়


যিকেইটাই ১৯৮৩ ৰ নিৰ্বাচনত অংশ-গ্ৰহণ কৰা নাছিল সেইকেইটাৰো আন্দোলনৰ সমৰ্থকসকলৰ সকলোকে সামৰি ল'ব পৰা সংগঠন নাছিল।

গণ সংগ্ৰাম পৰিষদৰ লগত জড়িত হৈ থকা আঞ্চলিক দল দুটা অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোকপৰিষদৰ মাজত একেলগ হোৱাৰ ভাব প্ৰায় নাইকিয়া হৈ পৰিছিল। চুক্তিখনৰ সম্পাদনৰ বাবে পূৰ্বাঞ্চলীয় লোক পৰিষদৰ পূৰ্ণ সমৰ্থন নথকাৰ কথা দলটোৱে প্ৰকাশ্যভাবেই ব্যক্ত কৰিছিল। আনহাতে আন্দোলনৰ মুখ্য নেতা সদৌ অসম ছাত্ৰ সন্থা তেতিয়াও এটা অৰাজনৈতিক অনুষ্ঠান। আন্দোলনৰ

## নিৰ্বাচনৰ দুটা দৃশ্য



প্ৰচাৰ অভিযানত শিশুৰ দল ॥ ফটো : প্ৰকাশ গগৈ



ভোটগ্ৰহণ কেন্দ্ৰৰ সম্মুখৰ দীঘলীয়া শাৰী।
ভোটদাতাৰ এনে ভিৰ প্ৰায়বোৰ সমষ্টিতেই পৰিলক্ষিত হৈছিল

সমৰ্থক অসমৰ ৰাইজে আৰু সংবাদ মাধ্যমবোৰে একত্ৰিত এটা আঞ্চলিক দলৰ বাবে ৰাজ্যজুৰি ইচ্ছা প্ৰকাশ কৰিলে। ঠিক এনে এটা সময়তে সৰ্বভাৰতীয় দল কংগ্ৰেছ (স) আৰু চি. পি (এম) দলে চুক্তিখনৰ বিপক্ষে ধ্বনি দিলে। কিন্তু এই ধ্বনিকো তল পেলাই চুক্তিখনৰপৰা ভাৰতীয় নাগৰিকত্ব হেৰুৱাবলগীয়া মানুহখিনিক (দহ বছৰ ভোট দিয়াৰপৰা বিৰত থাকিবলগীয়া লোক সকলকে ধৰি) সমৰ্থনৰ ভৰসাৰে এসময়ত কংগ্ৰেছ (ই)ৰ লগতে থকা কিছু সংখ্যালঘুৰ প্ৰতিনিধি আৰু আন্দোলনৰ প্ৰতিৰোধ কৰিবলৈ এসময়ত কংগ্ৰেছ (ই)ৰ পৃষ্ঠপোষকতাতে জন্ম হোৱা কেইটামান সংখ্যালঘু সংগঠন একত্ৰিত হৈ এটা নতুন দল গঠনৰ প্ৰচেষ্টা হ'ল।

চুক্তিখন সম্পাদন কৰা বুলি তাৰ কৃতিত্ব ল'বলৈ ইতিমধ্যে অসম কংগ্ৰেছ (ই) দলে নিৰ্বাচনৰ অভিযান প্ৰায় আৰম্ভ কৰি দিলে; আনহাতে কংগ্ৰেছ (স) আৰু চি. পি. (এম) দলে সংখ্যালঘু অধ্যুষিত এলেকা সমূহত সোমাই চুক্তি বিৰোধী প্ৰচাৰ আৰম্ভ কৰিলেই। তেতিয়াও আন্দোলনৰ নেতাসকলে অসমৰ বিভিন্ন ঠাইত জনসমাৰোহসমূহত চুক্তি ব্যাখ্যা কৰাৰ লগতে এটা নতুন আঞ্চলিক দল গঠনৰ ইংগিত দিছেহে মাথোন। আন্দোলনকাৰীসকলৰ সৰ্বসম্মত এটা আঞ্চলিক দলনো কেনেকৈ হ'ব কোনেও তাৰ এটা স্পষ্ট ছবি দাঙি ধৰিব পৰা নাই। আন নালাগে আন্দোলনৰ নেতাসকলো এই বিষয়ত স্পষ্ট নাছিল। এইখিনি সময়ত ৰাজনৈতিক অনিশ্চয়তাই সকলোৰে মনত উগুল-থুগুল লগাই আছিল। ৮/৯ অক্টোবৰত লক্ষীমপুৰত দুবছৰীয়া আন্দোলনটোৰ নেতাসকলক অব্যাহতি দি নতুন বিষয়ববীয়া বছা হ'ল আৰু প্ৰায় সকলো প্ৰাক্তন ছাত্ৰনেতাক একত্ৰিত



## সাংবাদিক অৰুণ শ্বৌৰী

● ''আগৰ চৰকাৎখন শইকীয়াৰ চৰকাৰ আছিল, এতিয়াৰ চৰকাৰখন আপোনালোকৰ চৰকাৰ''— অসম গণ পৰিষদৰ মন্ত্ৰীসভাই শপত লোৱাৰ সময়ত শ্বৌৰিয়ে দিয়া মন্তব্য।

● 'আপোনালোকে আজি ইয়াত উপস্থিত হৈ কেৱল অসমৰে নহয়, ভাৰতৰে এটা নতুন অধ্যায় আৰম্ভ কৰিবলৈ গৈছে।''

অসম গণ পৰিষদ জন্মৰ আগমুহূৰ্তত কৰা সাংবাদিক শ্বৌৰিৰ মন্তব্য।

ল'লে। আনহাতে নগাঁৱৰ হোজাইত প্ৰাক্তন কংগ্ৰেছ (ই) মন্ত্ৰী গোলাম ওচমানিৰ নেতৃত্বত সকলো সংখ্যালঘু সংগঠন মিলি 'ইউনাইটেড মাইনৰিটি ফ্ৰণ্ট' নামৰ ৰাজনৈতিক দল এটিৰ জন্ম দিলে।

এনেদৰেই প্ৰায় হঠাতে ইমানবোৰ ৰাজনৈতিক পৰিবৰ্তন ঘটাত আটাইতকৈ শংকিত হৈ পৰিল কংগ্ৰেছ (ই) দল। লগে লগে দিল্লীৰ-পৰা ১৬ ডিচেম্বৰ অসমত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ল। ২০ নৱেম্বৰৰ ভিতৰত 'নমিনেচন'ৰ শেষদিন ধাৰ্য কৰি দিয়াত নতুনকৈ গঠন হোৱা দল দুটা অপ্ৰস্তুত হৈ পৰিব বুলিয়েই সকলোৱে আশা কৰিছিল; কিন্তু তেনে নহ'ল। জন্ম হৈয়ে নতুন দুয়োটা দলে নিৰ্বাচনৰ যুঁজলৈ টঙালি বান্ধি ওলাল।

প্ৰথম অবস্থাত অসম চুক্তিখনেই নিৰ্বাচন যুঁজৰ প্ৰচাৰ আহিলা হৈ পৰিল। কংগ্ৰেছ (ই) দলে অসম চুক্তিৰ বাবে কৃতিত্ব দাবী কৰি কেৱল কংগ্ৰেছহে এই চুক্তি ৰূপায়ন কৰিব পাৰিব বুলি প্ৰচাৰ আৰম্ভ কৰিলে; আনহাতে অসম গণ পৰিষদে এই চুক্তি ৰূপায়ণ কৰিবলৈ অসমৰ ৰাইজৰ এখন নিজা চৰকাৰ


কৰি অসমৰ ৰাইজৰ উন্নতিৰ কল্পে এটা নতুন আঞ্চলিক দল গঠন কৰিবলৈও আহ্বান জনোৱা হ'ল। ঠিক সেইদৰেই এই প্ৰাক্তন ছাত্ৰনেতাসকলৰ উদ্যোগতে ইতিমধ্যে থকা দুটা আঞ্চলিক দল আৰু আন্দোলনত সমৰ্থন থকা বিশিষ্ট ব্যক্তিসকলক নিমন্ত্ৰণ জনাই গোলাঘাটত এক ৰাজনৈতিক অভিবৰ্তনৰ আয়োজন কৰা হ'ল। তেতিয়াও অসমৰ জনসাধাৰণৰ শংকা আঁতৰা নাছিল, কিন্তু সকলোকে বিস্মিত কৰি এই অভিবৰ্তনে ১৪ অক্টোবৰৰ দিনা 'অসম গণ পৰিষদ' নামৰ আঞ্চলিক ৰাজনৈতিক দল গঠন কৰি প্ৰায় সকলো আন্দোলনৰ সমৰ্থককেই একেটা অনুষ্ঠানত সামৰি



কোনো এক পিকনিক উল্লাসৰ মুহূৰ্তত ললিত ৰাজখোৱা
ফটো : প্ৰফুল্লকুমাৰ মহন্ত

OKDISCD

লাগে বুলি জনগণক আহ্বান জনালে। অসমৰ খিলঞ্জীয়া অধিবাসীসকলে কংগ্ৰেছ (ই)ক বিশ্বাসত নল'লে আৰু অসম গণ পৰিষদকে সঁহাৰি জনালে। সংখ্যালঘুসকলৰ মাজত কংগ্ৰেছ (ই) দলে এই চুক্তি সংখ্যালঘুসকলৰ বাবে লাভজনক বুলি প্ৰমাণ কৰিবলৈ গৈয়ো বিফল হ'ল। কংগ্ৰেছৰ ভোটবেংক বুলি জনাজাত অঞ্চলসমূহত বিৰূপ প্ৰতিক্ৰিয়া দেখি ১৯৮৩ চনৰ বিখ্যাত নিৰ্বাচনী প্ৰচাৰক গণিখান চাহেবক মাতি আনি সংখ্যালঘুসকলক বুজনিৰ চেষ্টা কৰিলে। গণিখান চাহাবে বুজনিত ইমানখিনিও পালেগৈ যে যদি সংখ্যালঘুসকলে কংগ্ৰেছক ভোট দি জয়যুক্ত কৰে তেতিয়া হ'লে অসমচুক্তি কাগজৰ চুক্তি হৈয়ে থাকিব। কিন্তু সংখ্যালঘুসকলে এইবাৰ গণিখান চাহাবক একেবাৰে গুৰুত্ব নিদিলে। উপায়হীন হৈ অসম কংগ্ৰেছ দলে কেন্দ্ৰীয় চৰকাৰক নিৰ্বাচন পিছুৱাই দিবলৈ আৰু দহবছৰৰ কাৰণে ভোটাধিকাৰ হেৰুৱাসকলক নাগৰিকৰ সকলো সুবিধা দিবলৈ আইন প্ৰণয়ন কৰিবলৈ অনুৰোধ কৰিলে। এনেকুৱা সময়তে বিভিন্ন জনৰ মাজত আলোচনা হ'বলৈ ধৰিলে যে নিৰ্বাচন ১৬ ডিচেম্বৰত নহ'বও পাৰে। হয়তো ৰাষ্ট্ৰপতিৰ শাসন ছমাহ চলিব পাৰে। পিচে কেন্দ্ৰই কিন্তু নিৰ্বাচনৰ দিন পৰিবৰ্তন নকৰিলে। কেৱল ১৯৬৬ চনৰপৰা ১৯৭১ চনলৈ অহা বিদেশীসকলক দহবছৰ ভোটাধিকাৰৰপৰা বঞ্চিত কৰাৰ বাহিৰে সাধাৰণ নাগৰিকৰ সকলো সুবিধা দিবলৈ বিল পাচ কৰি অসম কংগ্ৰেছ (ই)ক সকাহ দিব খুজিলে। ইয়াৰ পিছতেই কেন্দ্ৰৰপৰা দলে দলে সংসদী সদস্য, ৰাজনৈতিক বিশেষজ্ঞ, চোৰাংচোৱা আদি পঠাই ৰাজনৈতিক বুজ ল'বলৈ চেষ্টা কৰা হ'ল। অৱশেষত ১২৬ টা



গুৱাহাটীৰ ভোটগ্ৰহণ কেন্দ্ৰ এটাৰ দৃশ্য



ৰেখাৰাণী দাসবড়ো আৰু ৰমেন্দ্ৰনাৰায়ণ কলিতা— এটি ঘৰুৱা মুহূৰ্তত প্ৰফুল্লকুমাৰ মহন্তৰ কেমেৰাত বন্দী

প্ৰাৰ্থীত্ব বিচৰাত এই নতুন দল-টোৰেও প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰোঁতে প্ৰায় সকলোকে সন্তুষ্ট কৰিব নোৱৰা হৈছিল। আন্দোলনৰ লগত নিবিড়ভাবে জৰিত কিছু সংখ্যক লোকে নিৰ্দলীয় হৈ থিয় হোৱাৰো আশংকা দেখা গৈছিল। অবশেষত ২৬ নবেম্বৰৰ দিনা বিভিন্ন দলৰ প্ৰাৰ্থী থিয় হ'ল।

দলবোৰৰ প্ৰাৰ্থীৰ তালিকা প্ৰচাৰ হোৱাৰ পাছতেই আৰম্ভ হ'ল নিৰ্বাচনী প্ৰচাৰৰ আয়োজন। নগৰ-চহৰত লাহে লাহে দেৱালৰ প্ৰচাৰ লিখাৰে ভৰি পৰিল। এই প্ৰচাৰ অভিযানত এটা কথা দেখা গ'ল, কিশোৰসকলৰ উৎসাহেই সকলোতকৈ বেচি। গণ পৰিষদৰ দেৱাল লিখনিৰ বাবে অন্য দলসমূহৰ প্ৰচাৰ লিখাৰ ফলত প্ৰায় ঠাই নাইকিয়াই হৈ পৰিল। ঠিক তেনেকৈয়ে পমুৱা সংখ্যালঘু-সকলৰ মাজত মাইনৰিটি ফ্ৰণ্টৰ প্ৰচাৰৰ উৎসাহ। অসম গণ পৰিষদ একেবাৰে নতুন অনুষ্ঠান, তেওঁলোকৰ কোনো পুঁজিয়েই নাই, কিন্তু প্ৰচাৰত তাৰবাবে কোনো বাধা পোৱা দেখা নগ'ল। ছাত্ৰসকলেই তেওঁলোকৰ সামৰ্থৰে নিজ নিজ এলেকাত দেৱালৰ লিখা, পষ্টাৰ আদি লেখিছে; নিজে ব্যৱস্থা কৰি প্ৰাৰ্থীসকলক আনি মানুহ গোটাই নিৰ্বাচনী সভা পাতিছে। এইবোৰ সভাত ব্ৰহ্মপুত্ৰ উপত্যকাত অভূতপূৰ্ব মানুহৰ সমাগম হৈছে। আন নালাগে অঞ্চলে অঞ্চলে ভোটদাতাসকলেই আকৌ গণ পৰিষদৰ 'কুপন' কিনি দান বৰঙণীও দিছে। নিৰ্বাচনত যুঁজিবলৈ ভোটদাতাসকলে ধন তুলি প্ৰাৰ্থীক দিয়াটো অন্য কৰবাত আগতে প্ৰচলন হৈছিল যদিও আমি শুনা নাই। এই উৎসাহৰ মাজত অন্যান্য দল-সমূহে, বিশেষকৈ কংগ্ৰেছ (ই) দলে নিজৰ প্ৰাৰ্থীসকলৰ বাবে প্ৰচুৰ ধন



ভোটগ্ৰহণ কেন্দ্ৰ এটাৰ দৃশ্য



শপত গ্ৰহণৰ সময়ত ভৃগুকুমাৰ ফুকন ॥ ফটো : নাৰায়ণ ৰয়

বিধান সভা সমষ্টি আৰু ১৪ টা লোকসভা সমষ্টিৰ বাবে কংগ্ৰেছ (ই) যে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিলে। লগে লগে কংগ্ৰেছ আকৌ বিপৰ্যয়ত পৰিল। দলৰ তালিকাৰ ওপৰত ক্ষোভ প্ৰকাশ কৰি বহু প্ৰাৰ্থী নিৰ্দলীয় ৰূপে থিয় হ'ল। অসম গণ পৰিষদৰ ফালৰপৰাও বহু সংখ্যক ব্যক্তিয়ে

# তালিকা

## জিলা ভিত্তিক ১৯৮৫ চনৰ নিৰ্বাচন পৰিসংখ্যা


### (ক) ব্ৰহ্মপুত্ৰ উপত্যকাৰ দলীয় অৱস্থান

| জিলা (আ:) | অ গ প % | কংগ্ৰেছ (ই) % | কং (স) % | পি. টি. চি. এ % | সং মৰ্চা % | চি. পি. এম % |
|---|---|---|---|---|---|---|
| ১। ডিব্ৰুগড় (১২) | ২,২৬,১৩৮ (৩৭.৯) | ২,৩৫,২৭০ (৩৯.৪) | ৪,৫৭৯ (.৭৭) | ৫২৫ (.০৯) | — | ১৮,৪৪৮ (৩.১) |
| ২। লক্ষীমপুৰ (৬) | ১,৭৭,৫৮৪ (৪৯.৩) | ৭৩,২১৬ (২০) | ১,৮৩৭ (.৫) | ২১,১২৪ (৫.৯) | ২৮৬ (.০৮) | ৭,৫৭৯ (২.১) |
| ৩। শিৱসাগৰ (৬) | ১,৫২,৭৪০ (৫১.৪) | ১,০০,৩৯০ (৩৪) | ১,৩৩৬ (0.৪৫) | — | — | ৩,০৩৮ (১.০৩) |
| ৪। যোৰহাট (১০) | ৩,১৯,০৫১ (৫৫.৮) | ১,৬৩,৯৩১ (২৮.৭) | ৩,৯২৩ (৬.৯) | — | — | ৩,৪১৮ (.৬) |
| ৫। নগাঁও (১৪) | ৩,০৬,৯১৮ (৩৫) | ১,১৫,৮৭২ (১৩.২) | ৪৭,৩৮৫ (৫.৪) | ৬,৫৪ (.০৮) | ২,৪৬,০২৬ (২৮) | ২৯,২২১ (৩.৩) |
| ৬। দৰং (৭) | ১,৩৯,৮৩৯ (৩০.৪) | ৫২,৩৬১ (১২.৫) | ৬,০০২ (১.৩৪) | ৩৪,৬৯০ (১.২১) | ৮৭,২৪৮ (২০.৮) | ৭,৯৫১ (১.৯) |
| ৭। শোণিতপুৰ (৮) | ১,৫৩,৮১০ (৩৪) | ১,২৩,৭৯৩ (২৭.৪) | ৩,৩২৯ (.৭৪) | ৩৮,৩৫৬ (৮.৫) | ২১,২৬৮ (৪.৭) | ১৯,৮৮১ (৪.৪) |
| ৮ কামৰূপ (১০) | ৪,২০,৫৯৩ (৬১.২৫) | ১,০৭,৯৮৫ (১৫.৭) | ১,১৮২ (.১৭) | ৭,৮২৪ (১.১৪) | ৭১,৩৬১ (১০৪) | ৩৯,৯২৪ (৫.৮) |
| ৯। নলবাৰী (৬) | ২,৩২,৭৬৮ (৫৭.৬) | ৪৬,৪৩৯ (১১.৫) | ২,৩৯১ (৫.৯) | ৫৯,২[illegible]৯ (১৪.৭) | ২০,৪১৪ (৫.১) | ৮,২৭১ (২) |
| ১০। বৰপেটা (৮) | ২,১৯,০২৯ (৪১.৭) | ১৮,২৪৬ (৩.৫) | ৭৪৩ (.১) | ৯,৪৮৩ (১.৮) | ১,৯০,৭৩৪ (৩৬.৩) | ৩৯,৭৪২ (৭.৬) |
| ১১। গোৱালপাৰা (৭) | ১,৫৩,২৯৭ (৩৪.২৩) | ৩৬,৩২৯ (৮.১) | ২,১২২ (.৫) | ৩,৩২৩ (.৮) | ১,৪৪,৬৭০ (৩২.৩) | ৩৬,৪৮৭ (৮.৭) |
| ১২। কোকৰাঝাৰ (৫) | ১৯,২৮০ (৬.৭) | ৭৪,৯৭৮ (২৬.২) | ৩৬,৪২১ (১২.৭) | ৮৫,২৯০ (২৯.৮) | ১২,৮৬৮ (৪.৫) | — |
| ১৩। ধুবুৰী (৭/৬) | ৫১,৯৩৩ (১৪.৪) | ৮৩,৯৭৩ (২৩.২) | ৫৬,৮২৫ (১৫.৭) | — | ৪৯,৭২৪ (১৩.৫) | ১২,৫৩৪ (৩.৫) |
| মুঠ— ৬২,৫৯,২৮৪ | ২৫,৭২,৯৮০ | ১২,২৮,০৫৪ | ১,৬৮,০৭৫ | ২,৬০,৬২৮ | ৮,৩৬,৬২০ | ২,২,৩৪৯৪ |
| শতকৰা হাৰ | ৪২% | ১৯.৬% | ২.৭% | ৪.২% | ১৩.৪% | ৩.৬% |

### (খ) বৰাক উপত্যকা আৰু স্বায়ত্ব শাসিত জিলাৰ দলীয় অৱস্থান

| জিলা (আ:) | অ গ প | কংগ্ৰেছ (ই) | কং (স) | পি. টি. চি. এ | সং মৰ্চা | চি. পি. এম |
|---|---|---|---|---|---|---|
| ১৪ কাৰ্বি আংলং (৪), ১৫ উঃ কাছাৰ (১) | — | ৭৩,২১৬ | ৪,৭৬১ | — | — | |
| ১৬ কাছাৰ (১০), ১৭। কৰিমগঞ্জ (৫) | ৯,৫১৫ | ৩,৮৩,১৬৪ | ৬৩,১৪৬ | | ৩১,৯৯৪ | ৯৭,০২৯ |
| মুঠ— ১০,১৭,২৫৮ | ৯,৫১৫ | ৪,৫৬,৩৮০ | ৬৭,৯০৭ | | ৩১,৯৯৪ | ৯৭,০২৯ |
| সৰ্বমুঠ— ৭২,৭৬,৫৪২ | ২৫৮২৪৯৫ | ১৬৮৪৯৫০ | ২৩৫৯৮০ | ২,৬০,৬২৮ | ৮,৬৬,৭৯৫ | ৩,২০,৫২৩ |
| শতকৰা ৭৪% | ৩৫.৩% | ২৩.২% | ৩.২% | ৩.৬% | ১১.৯% | ৪.৪% |

OKDISCD




খৰচ কৰিও ক'তো বিশেষ সহাঁৰি পোৱা দেখা নগ'ল। এইখিনি সময়তো ৰাজনৈতিক পৰ্যবেক্ষকসকলে এইয়া কেৱল ভোটদানৰ অধিকাৰ নথকা কিশোৰসকলৰ উৎসাহ বুলি উৰুৱাই দিব খুজিছিল।

এনেকৈয়ে ১৬ ডিচেম্বৰৰ দিনটো আহি পালে। ৰাজনৈতিক পৰ্যবেক্ষক আৰু সংবাদ মাধ্যমবোৰৰ ভৱিষ্যত বাণী মিছা প্ৰমাণ কৰি ক'তো অকণো শান্তি নষ্ট নোহোৱাকৈ অভিলেখ হাৰত ভোটদান কৰিলে। তাৰ পিছৰ দুদিন বাটে ঘাটে, ঘৰে বাহিৰে অসমৰ জনগণ উৎকৰ্ণ হৈ ৰ'ল ফলাফল ঘোষণাৰ বাবে।

ফলাফল ঘোষণা শেষ হ'ল। সকলো পৰ্যবেক্ষকৰ হিচাপ-নিকাচক ভুল প্ৰমাণিত কৰি অসম গণ পৰিষদে নিজেই ৬৪ খন আসন লাভ কৰি অসম বিধানসভাত সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হ'ল। কংগ্ৰেছ (ই) দলে পালে ২৫ খন আসন আৰু মাইনৰিটি ফ্ৰন্টে পালে ১৭ খন আসন। বাকী দলসমূহৰ কংগ্ৰেছ (স) ৪ খন, পি. টি. চি এ ৩ খন, চি. পি. এম ২ খন, অন্যান্য ১০ খন।

এই নিৰ্বাচনে কংগ্ৰেছ (ই) দলক কৰিমগঞ্জ-শিলচৰৰ (কাচাৰ জিলাৰ) ১৫ খন আসনৰ ভিতৰত ১০ খন আৰু ডিব্ৰুগড় জিলাত ১২ খন আসনৰ ৬ খন আসন দি বাকী ১৪ খন জিলাৰ ৯৮ খন আসনৰ মাত্ৰ ৯ খন আসন পাবলৈহে সক্ষম কৰিলে। আনহাতে মাইনৰিটি ফ্ৰন্টে পমুৱা সৱলৰ সংখ্যাগৰিষ্ঠৰ নগাঁও আৰু গোৱালপাৰা জিলাত ক্ৰমান্বয়ে ১৪ খনৰ ৬ খন আৰু ৭ খনৰ ৫ খন আসন পাই তেওঁলোকৰ প্ৰাধান্য প্ৰমাণ কৰিলে। অসম গণ পৰিষদে সকলোৰে ধাৰণা মিছা প্ৰমাণ কৰি কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে জনজাতি, অ-জনজাতি, চাহবনুৱা, ধৰ্মীয়, ভাষিক সংখ্যালঘু সকলোৰে সমৰ্থনেৰে ৬৪ খন আসন পাবলৈ সমৰ্থ হ'ল। এই দলেই আন ৬ জন নিৰ্দলীয় প্ৰাৰ্থীৰো সমৰ্থন পোৱাত দলৰ শক্তি ৭০ জনলৈ বৃদ্ধি পালেগৈ।

ইতিমধ্যে দলৰ মূখ্য সভাপতি প্ৰফুল্লকুমাৰ মহন্তক মুখ্যমন্ত্ৰী হিচাপে লৈ ২১ জনীয়া মন্ত্ৰীসভা গঠন কৰি কাৰ্যভাৰ লৈছে। □□

– ৰংঘৰ প্ৰতিনিধি